জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫০/২০২০

# অসম আন্দোলনৰ অগ্ৰণী নেতা গোলাম মূৰ্তাজা আহমেদৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩ ফেব্ৰুৱাৰী ঃ** অসম আন্দোলনৰ অগ্ৰণী নেতা, সমাজকৰ্মী গোলাম মূৰ্তাজা আহমেদৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত আহমেদে আমাৰ সমাজ জীৱনলৈ যি অৱদান আগবঢ়াই গৈছে সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসম আন্দোলনৰ সময়ত প্ৰয়াত গোলাম মূৰ্তাজা আহমেদে সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰি যথেষ্ট অৱদান আগবঢ়াই গৈছে। আনহাতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে নিবিড় ভাবে জড়িত থাকি সমাজ সেৱাৰ দিশটো অৱদান আগবঢ়াই গৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত গোলাম মূৰ্তাজা আহমেদৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে অসম আন্দোলনৰ অগ্ৰণী নেতা গোলাম মূৰ্তাজা আহমেদৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। এক শোক বাৰ্তাত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে প্ৰয়াত আহমেদে অসম আন্দোলন আৰু অসমৰ জাতীয় জীৱনলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াতগোলাম মূৰ্তাজা আহমেদৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

পুঃডেঃ / বীঃগঃ
৩/০২/২০২০